# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❒ যোৰহাট সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ২৩৯ মঙলবাৰ ২৯ আহাৰ ১৯৪৮ শক ১৪ জুলাই ২০২৬ চন ASOMIYA KHABAR JORHAT TU


## কানৈ মহাবিদ্যালয় আৰু ষ্টে ফিট যোগ কেন্দ্ৰ

# ‘বৃক্ষবন্ধু’ কাৰ্যসূচী ৰূপায়ণৰ পূৰ্ণ সংকল্প

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুলাই ঃ** প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক কেৱল জীয়াই থকা নহয়, ই আত্মিক। যেতিয়া এটা পবিত্ৰ সংকল্পই চৰকাৰী লক্ষ্য, উদ্দেশ্যৰ স'তে বিশাল কৰ্ম যজ্ঞৰ ৰূপ লয়, তেতিয়া সেউজীয়া, সুন্দৰ পৃথিৱীখনে নতুন প্ৰাণ পায়। বিশ্ব পৰিৱেশ দিৱসৰ দিনা ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড়ৰ অগ্ৰণী স্বাস্থ্য চৰ্চা কেন্দৰ ষ্টে ফিট যোগ কেন্দ্ৰৰ যৌথ উদ্যোগত আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিৰ সহযোগত এক ব্যতিক্ৰমী মহৎ কাৰ্যসূচী পাঁচ হাজাৰ মহানিম পুলি ৰোপণ আৰু সংৰক্ষণৰ এক সংকল্প লোৱা হৈছিল। উল্লেখ্য যে অসম চৰকাৰে শেহতীয়াকৈ সমগ্ৰ ৰাজ্যজুৰি এক কোটি বৃক্ষ ৰোপণৰ এক অভিলাষী আৰু যুগান্তকাৰী কাৰ্যসূচী ‘বৃক্ষবন্ধু’ ঘোষণা কৰিছে। চৰকাৰৰ এই মহৎ প্ৰয়াসক আদৰণি জনাই আৰু সমাজৰ প্ৰতি থকা নিজৰ দায়বদ্ধতাক পুনৰ প্ৰমাণ কৰি কানৈ মহাবিদ্যালয় আৰু ‘ষ্টে ফিট’ যোগ কেন্দ্ৰই এক ঐতিহাসিক তথা প্ৰশংসনীয় সিদ্ধান্ত গ্ৰহণ কৰিছে। দুয়োটা অনুষ্ঠানে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে যে তেওঁলোকে পূৰ্বৰে পৰা চলাই থকা এই পাঁচ হাজাৰ মহানিমৰ পুলি ৰোপণৰ কাৰ্যসূচীক এতিয়াৰে পৰা চৰকাৰৰ ‘বৃক্ষবন্ধু’ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰি তাৰে অংশ হিচাপে আগুৱাই লৈ যাব। প্ৰকৃতিৰ কোনো বেৰা নাথাকে আৰু সেউজীয়া কৰাৰ সংকল্প কাৰো অকলে হ'ব নোৱাৰে। চৰকাৰৰ ‘বৃক্ষবন্ধু’ কাৰ্যসূচীয়ে সমগ্ৰ অসমক সেউজীয়া কৰাৰ যি সপোন দেখিছে, সেই সপোনক পাঁচ হাজাৰ নিমপুলি ৰোৱাৰ সংকল্পই আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে এই দুই অনুষ্ঠানে। এই দুয়োটা অনুষ্ঠানৰ উদ্যোগত ইতিমধ্যে ডিব্ৰুগড়ৰ চহৰৰ মানকটা প্ৰশান্তি পথত ৬৮ জোপা মহানিম পুলি ৰোপণ কৰাৰ পিছত পৰৱৰ্তী সময়ত ছল্ট ব্ৰুক একাডেমীৰ চৌহদ, ডিব্ৰুগড় প্ৰেছক্লাৱ চৌহদ, তুলসী গাঁও, ফুলবাগান ন্যায়ালয়ৰ চৌহদ, লীলা গগৈ পথকে ধৰি ডিব্ৰুগড় চহৰৰ বিভিন্ন অঞ্চলত মহানিম পুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সম্প্ৰতি অসম চৰকাৰৰ তৰফৰ পৰা বৃক্ষবন্ধু কাৰ্যসূচী ঘোষণা কৰাৰ পিছত কানৈ মহাবিদ্যালয় আৰু ষ্টে ফিট যোগ কেন্দ্ৰই কাৰ্যকৰী কৰি অহা এই বৃক্ষৰোপন কাৰ্যসূচীক ‘বৃক্ষবন্ধু’ কাৰ্যসূচীৰ আওঁতালৈ অনা হয় বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ষ্টে ফিট যোগ কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালীয়ে জানিবলৈ দিছে। উল্লেখ্য যে দুয়োটা অনুষ্ঠানৰ যুটীয়া উদ্যোগত ৫ জুনত ডিব্ৰুগড় চহৰৰ মানকটা প্ৰশান্তি পথত অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ষ্টে ফিট যোগ কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালীয়ে যুটীয়াভাৱে এই কাৰ্যসূচী শুভাৰম্ভ কৰিছিল। ইতিমধ্যে প্ৰায় পাঁচশ মহানিম পুলি ৰোপণ কৰা হৈছে বুলি উল্লেখ কৰি এক বিবৃতিত উল্লেখ কৰে যে পাঁছ হাজাৰ মহানিম পুলি ৰোপনৰ লক্ষ্য লোৱা হৈছে যদিও অন্যান্য বৃক্ষও ‘বৃক্ষবন্ধু’ কাৰ্যসূচীৰ অধীনত চহৰখনৰ বিভিন্ন অঞ্চলৰ লগতে চুবুৰীয়া গ্ৰাম্য প্ৰধান অঞ্চলতো ৰোপণ কৰা হ'ব। এই বৃক্ষৰোপন কাৰ্যসূচীত ইতিমধ্যে ডিব্ৰুগড় জিলা ন্যায়াধীশ মৃদু চন্দ্ৰা বৰদলৈৰ লগতে প্ৰাক্তন জিলা পৰিৱহণ বিষয়া সঞ্জীৱ হাজৰিকা, ছল্টব্ৰুক একাডেমীৰ সঞ্চালক অশ্বিনী দুৱৰাৰ উপৰিও অনেক গণ্যমান্য ব্যক্তিয়ে এই বৃক্ষ ৰোপন কাৰ্যসূচীত অংশ গ্ৰহণ কৰি পূৰ্ণ সহযোগিতা আগবঢ়াইছে। উল্লেখ্য যে অসম চৰকাৰে ১৫ জুলাই পৰা ৩১ জুলাইলৈ জবকাৰ্ডধাৰী পৰিয়ালৰ শিক্ষাৰ্থীসকলক এই বৃক্ষবন্ধু কাৰ্যসূচীত পঞ্জীয়ন কৰাবলৈ এক অনলাইন পৰ্টেল মুকলি কৰিছে। আনহাতে, ৬ আগষ্টৰ পৰা ১১ আগষ্টলৈ বন বিভাগে পঞ্চায়তসমূহৰ লগতে আন শিক্ষানুষ্ঠান তথা অনুষ্ঠান-প্ৰতিষ্ঠানক বিভিন্ন প্ৰজাতিৰ গছ পুলি প্ৰদান কৰাৰ দিহা কৰিছে। সমগ্ৰ অসমতে ১০ আগষ্টৰ পৰা ১৪ আগষ্টৰ ভিতৰত এই বৃক্ষ ৰোপন কাৰ্যসূচী সম্পন্ন হ'ব। ১০ লাখ শিক্ষাৰ্থীৰ লগতে অসমত ১ কোটি বৃক্ষ ৰোপণ কৰাৰ সংকল্পও লৈছে অসম চৰকাৰে। এই ক্ষেত্ৰত কানৈ মহাবিদ্যালয় আৰু ষ্টে ফিট যোগ কেন্দ্ৰই বৃক্ষবন্ধু কাৰ্যসূচী ঘোষণা কৰাৰ এমাহ পূৰ্বৰ পৰা নিয়মমীয়াকৈ পাঁচ হাজাৰ বৃক্ষ ৰোপন কাৰ্যসূচী গ্ৰহণ কৰা আৰু ‘বৃক্ষবন্ধু’ কাৰ্যসূচীৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াই নিৰ্ধাৰিত লক্ষ্য, উদ্দেশ্য লৈ বৃক্ষ ৰোপন কাৰ্যসূচী দুয়োটা প্ৰতিষ্ঠানে কৰি যাব বুলি কানৈ মহাবিদ্যালয়ৰ বৃক্ষ ৰোপন কোষৰ সমন্বয়ক ড° বিৰাজ দত্তই জানিবলৈ দিছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ষ্টে ফিট যোগ কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালীয়ে চৰকাৰৰ এনে পদক্ষেপক ভূঁয়সী প্ৰশংসা কৰে।